# আগকথা

সৰুৰে পৰা কোচ ৰাজবংশী সমাজখনত ডাঙৰ-দীঘল হোৱাৰ বাবে তেওঁলোকৰ বিভিন্ন উৎসৱ অনুষ্ঠানত ভাগ লোৱাৰ সুযোগ লাভ কৰিছিলোঁ। তেওঁলোকৰ নীতি-নিয়ম আচাৰ-অনুষ্ঠানসমূহক ওচৰেৰে পৰা প্ৰত্যক্ষ কৰাৰ সৌভাগ্য হৈছিল। তেওঁলোক আৰ্যহিন্দু হোৱাৰ বাবে বৈদিক আচাৰ আৰু লোকাচাৰসমূহ পালন কৰি আহিছে। বিশ্ববিদ্যালয়ত গৱেষণাৰ সুযোগ লাভ কৰাত মনত আগৰে পৰা থকা সুপ্ত ভাবনা জাগ্ৰত হ'ল আৰু গৱেষণাৰ বিষয়বস্তু হিচাপে তেওঁলোকৰ লোকাচাৰ আৰু লোকবিশ্বাসৰ বিষয়ে কাম কৰাৰ সুযোগ লাভ কৰিলোঁ।

মোৰ এই গৱেষণাৰ ক্ষেত্ৰত প্ৰতিটো কথাতেই মোক বিভিন্ন দিহা-পৰামৰ্শ, তথা সহায় আগবঢ়োৱাৰ বাবে মোৰ গৱেষণাৰ গুৰু, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড০ নৱজ্যোতি শৰ্মা দেৱলৈ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

তদুপৰি মোৰ এই গৱেষণা কৰ্মত বিভিন্ন প্ৰকাৰে পৰামৰ্শ আগবঢ়োৱা, মোৰ অনানুষ্ঠানিক তত্ত্বাৱধায়কৰ দায়িত্ব পালন কৰা শ্ৰদ্ধাৰ শিক্ষাগুৰু ৰমেশ বৰা আৰু ড০ ফুকন চন্দ্ৰ বসুমতাৰীদেৱলৈ এই ছেগতে আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ। মোক বিভিন্ন প্ৰকাৰে দিহা-পৰামৰ্শ আৰু সহায় আগবঢ়োৱাৰ বাবে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী ড০ চুমী কলিতা বাইদেউ, শিক্ষাগুৰু ড০ বিভূতি লোচন শৰ্মা চাৰ, ড০ লীনা শৰ্মা বাইদেউ, ডিম্বেশ্বৰ দাস দা, কনকেশ্বৰ বৰুৱাদা, চানক্য বৈশ্য (দাদা), নয়নজ্যোতি দাস চাৰ, মিস্মিতা কছাৰী বাইদেউলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ক্ষেত্ৰ অধ্যয়ন আৰু কোচ ৰাজবংশী জনগোষ্ঠীৰ বিভিন্ন তথ্য, কিতাপ সংগ্ৰহ কৰি দিয়াৰ বাবে বন্ধু দেৱপ্ৰসাদ বৰুৱা আৰু জিতজ্যোতি পাটগিৰিলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

গৱেষণাৰ বাবে ক্ষেত্ৰ অধ্যয়ন আৰু তথ্য সংগ্ৰহৰ বাবে সহায় কৰা বন্ধুবৰ প্ৰাঞ্জল কুমাৰ, মাধৱ ৰায়, দীপাঙ্কৰ ৰায়, চন্দ্ৰকুমাৰ দেৱনাথ, বিশ্বজ্যোতি ৰায়, পবিত্ৰ ৰায়, চাৰমিন আৰা আৰু অৰূপ বৈশ্য দাৰ ওচৰত চিৰঋণী হৈ ৰ'লো। তেওঁলোকৰ সহায় অবিহনে এই কামটো মোৰ বাবে সহজ নহ'ল হয়। তদুপৰি বিভিন্ন ঠাইত যিসকল ব্যক্তিয়ে ক্ষেত্ৰ অধ্যয়নত মোক সহায়ৰ

হাত আগবঢ়ালে, সেই সকলো ব্যক্তিলৈকে মোৰ আন্তৰিক ধন্যবাদ আৰু শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

গৱেষণা গ্ৰন্থখন লিখাৰ ক্ষেত্ৰত সহায় আগবঢ়োৱা ভাইটি দীপক, ভতিজা বন্দনা, মোৰ ছাত্ৰ পদুম আৰু সুপ্ৰিয়াৰে মৰম আগবঢ়ালোঁ। মোৰ মা চাৰুপমা বৈশ্য আৰু পৰিয়ালৰ সকলোকে ধন্যবাদ আৰু আন্তৰিক কৃতজ্ঞতা জনালোঁ।

গৱেষণাগ্ৰন্থখন ডি.টি.পি কৰি গ্ৰন্থ আকাৰে সাজু কৰি দি সহায় কৰাৰ বাবে গুৱাহাটীৰ হাচান আলীলৈ ধন্যবাদ জনালোঁ।

শেষত অজানিতভাৱে হৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা প্ৰাৰ্থনা কৰিছোঁ।

**গোবিন্দ বৈশ্য**
অসমীয়া বিভাগ
বড়োলেণ্ড বিশ্ববিদ্যালয়
2017 বৰ্ষ